No. of Printed Pages—3

41 (ASK)

[17-HDGKACRM-M1]

MA 1st Semester Exam., 2017

ASSAMESE

[MAS 02]

(অসমীয়া কবিতা)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) 'হস্তীৰ কন্যা' গীতটিৰ মূল ভাবটো কি ?

(b) ''প্ৰাণ গোপাল, গোপাল তই পাতিলি
মায়াৰে খেলি মোৰ দয়াল ।''
উক্ত দেহবিচাৰৰ গীতটিৰ গূঢ়াৰ্থ নিজৰ ভাষাত চমুকৈ লিখক ।

(c) চৰ্যাপদৰ ভাষাৰ লগত অসমীয়া ভাষাৰ কি কি দিশত সাদৃশ্য পৰিলক্ষিত হয়, উল্লেখ কৰক ।

(d) আপোনাৰ পাঠ্যবিষয়ত অন্তৰ্ভুক্ত চৰ্যাপদকেইটাৰ আধাৰত চৰ্যাপদত প্ৰয়োগ হোৱা ছন্দকেইটাৰ নাম উল্লেখ কৰক ।

(e) কন্দলিৰ 'হনুমন্তৰ লংকা দৰ্শন'ৰ আধাৰত তাত প্ৰয়োগ হোৱা অলংকাৰকেইবিধৰ বিষয়ে অতি সংক্ষেপতে লিখক ।

(f) 'ৰৰগীতৰ সীমাবদ্ধ পবিত্ৰতা' বুলিলে কি বুজা যায় ? চমুকৈ লিখক ।

2. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ১৫০ শব্দৰ ভিতৰত) : 4×3=12

(a) অসমীয়া ৰমণ্যাসিক কবিতালৈ চন্দ্ৰকুমাৰ আগৰৱালাৰ অৱদানৰ চমু মূল্যায়ন আগবঢ়াওক।

(b) 'লখিমী' কবিতাটোঁত কবিয়ে কেনেদৰে প্ৰগতিবাদী চিন্তাধাৰাৰ প্ৰকাশ কৰিছে, উদাহৰণসহ বুজাই লিখক।

(c) "আলো মঞি কি কহবো দুখ।"

ৰৰগীতটিৰ বিষয়বস্তু সম্পৰ্কে এটি সংক্ষেপ আলচ যুগুত কৰক।

(d) প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰক :

"ছৱাল মেলেক সবে কৰে হাতাহাতি।
মাল বান্ধে যুজয় দেখিতে ভাল আতি॥
ঢোপ খেড়ি খেলাৱয় কতো লুনি লুনি॥"

3. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) 'জীৱৰ সাৰথি নাম' শীৰ্ষক জিকিৰটোত ইছলাম ধৰ্মৰ তাত্ত্বিক দিশসমূহ কেনেদৰে প্ৰতিভাত হৈছে, বুজাই লিখক।

(b) আপোনাৰ পাঠ্যবিষয়ত অন্তৰ্ভুক্ত ৰৰগীত দুটাৰ আধাৰত শংকৰদেৱ আৰু মাধৱদেৱৰ ৰৰগীতৰ এটি তুলনামূলক আলোচনা প্ৰস্তুত কৰক।

(c) 'বীণ ব'ৰাগী' কবিতাটোৰ আধাৰত অসমীয়া ৰমণ্যাসিক কবিতাৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

(d) প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰক :

"মোৰ দেখোন আজিকালি
বৰ অলপতে হাত-ভৰি কঁপে
বন্দুকতো দূৰৰে কথা
ধনুকাঁড়ো জুৰিব নোৱাৰোঁ।"

(Continued)

4. তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০০ শব্দৰ ভিতৰত) : 10×4=40

(a) ''বুদ্ধৰ জ্ঞান আৰু দৰ্শনক নৱকান্তই তেওঁৰ 'বোধিদ্ৰুমৰ খৰি' কবিতাটিত কাব্যৰূপ প্ৰদান কৰিছে।'' কথাষাৰৰ সাৰ্থকতা যুক্তিযুক্তভাৱে নিৰূপণ কৰক।

(b) 'দেৱদাসী' কবিতাটিৰ মাজেদি কবি দেৱকান্ত বৰুৱাই কেনেদৰে তেজোদীপ্ত যৌৱনৰ জয়গান গাই প্ৰেমৰ এক নব্য ৰূপ অসমীয়া কবিতালৈ সোমোৱাই আনিছিল সেই বিষয়ে আলোকপাত কৰক।

(c) এটি সাৰ্থক ছনেট হিচাপে 'প্ৰিয়তমাৰ চিঠি' কবিতাটো প্ৰতিপাদন কৰক।

(d) কবি মাধৱ কন্দলিয়ে 'হনুমন্তৰ লংকা দৰ্শন'ৰ মাজত কেনেদৰে সাৱলীলভাৱে চৰিত্ৰ সৃষ্টি কৰিছে সেই বিষয়ে আলোকপাত কৰি তেওঁৰ মৌলিকত্ব বিচাৰ কৰক।

(e) আপোনাৰ পাঠ্যবিষয়ৰ অন্তৰ্ভুক্ত চৰ্যাপদকেইটাৰ আধাৰত চৰ্যাপদৰ বিষয়বস্তু তথা দৰ্শন সম্পৰ্কে আলোকপাত কৰি তাৰ ভাষা সম্পৰ্কে চমুকৈ লিখক।

★ ★ ★